**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যৰ ৫টা সমষ্টিত ৭৫ দশমিক ৯-৫ শতাংশ ভোটদান সম্পন্ন।

২। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি।

৩। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কৰিমগঞ্জ জিলাত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ। কংগ্ৰেছকে ধৰি আন আন দলৰ প্ৰচাৰ অভিযান অব্যাহত।

৫। আজি বীৰাংগনা সতী-সাধনীৰ ৫০০ সংখ্যক স্মৃতি দিৱস।

*আৰু*

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত ছানৰাইজাৰ্ছ হায়দৰাবাদ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooo

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত কালি ৰাজ্যত সামগ্ৰিকভাৱে ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত ভোটাধিকাৰীসকলে কালি অনুষ্ঠিত হৈ যোৱা নিৰ্বাচনত উৎসাহ উদ্দীপনাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ৰাজ্যখনত প্ৰথম পৰ্যায়ত সামৰি লোৱা ৫টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা প্ৰাৰ্থী। ইয়াৰ ভিতৰত ৩ গৰাকীয়ে কাজিৰঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে আন এগৰাকীয়ে শোণিতপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিছে।

**শোণিতপুৰ** সমষ্টিত ৭৪ দশমিক ৮-১ শতাংশ, **কাজিৰঙা** সমষ্টিত ৭৫ দশমিক ৭-৯ শতাংশ, **ডিব্ৰুগড়** লোকসভা সমষ্টিত ৭৬ দশমিক ৭-৪ শতাংশ, **লখিমপুৰ** সমষ্টিত ৭২ দশমিক ৬-৫ শতাংশ আৰু **যোৰহাট**ত ৭৯ দশমিক ৪-৮ শতাংশ ভোটদান সম্পূৰ্ণ হৈছে।

ইপিনে, কালি প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা দেশৰ বিভিন্ন ৰাজ্যত দুই এটা বিক্ষিপ্ত ঘটনাৰ বাহিৰে প্ৰায় শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয়। ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিত ৬৮ শতাংশৰো অধিক ভোটদান হয়। শেহতীয়া তথ্য অনুসৰি অসমত ৭৫ দশমিক ৯-৫, মণিপুৰত ৭২ দশমিক ১-৭, ছিকিমত ৮০ দশমিক শূন্য-৩ , বিহাৰত ৪৮ দশমিক ৮-৮ , ছত্তিশগড়ত ৬৭ দশমিক ৫-৬, উত্তৰ

প্ৰদেশত ৬০ দশমিক ২-৫, মহাৰাষ্ট্ৰত ৬১ দশমিক ৮-৮, ৰাজস্থানত ৫৭ দশমিক ২-৫, অৰুণাচল প্ৰদেশত ৭২ দশমিক ৭-৪, মেঘালয়ত ৭৪ দশমিক ৫-০, মিজোৰামত ৫৬ দশমিক ৬-০, নাগালেণ্ডত ৫৬ দশমিক ৯-১, ত্ৰিপুৰাত ৮১ দশমিক ৬-২ আৰু পশ্চিম বংগত ৮০ দশমিক ৫-৫ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

প্ৰথম পৰ্যায়ত মুঠ ভোটদাতাৰ সংখ্যা ১৬ কোটি ৬৩ লাখ। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। এই পৰ্যায়ত ভোটদান কৰা নতুন ভোটদাতা প্ৰায় ৩৬ লাখ আছে বুলি জানিব পৰা গৈছে।

এই পৰ্যায়ত মুঠ এহেজাৰ ৬২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। প্ৰথম পৰ্যায়ত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নীতিন গাডকাৰী, কিৰেণ ৰিজিজু, ডা০ জিতেন্দ্ৰ সিং, সঞ্জীৱ বালিয়ান, কংগ্ৰেছ নেতা গৌৰৱ গগৈ, কাৰ্তি চিদাম্বৰম, নকুল নাথ, ডি এম কেৰ দয়ানিধি মাৰাণ, বিজেপি নেতা তামিলছাই সৌন্দৰ ৰাজন আৰু জিতিন প্ৰসাদ অন্যতম।

লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো সম্পন্ন হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনত ৭৬ দশমিক ৪-৪ আৰু ছিকিমত ৭৯ দশমিক ৮-৬ শতাংশ ভোটদান হৈছে।

নিৰ্বাচন আয়োগে ভোটদাতা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে ধন্যবাদ জনাইছে। ছত্তিশগড়ৰ বাষ্টাৰৰ ৫৬ খন গাওঁ আৰু গ্ৰেট নিকোবৰৰ ছোম্পেন জনজাতিৰ লোকসকলে এইবেলি প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰে। ছোম্পেন জনজাতি গ্ৰেট নিকোবৰ দ্বীপৰ অভ্যন্তৰীণ অংশত বাস কৰা এটা জনজাতি। প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা দেশৰ ভালে সংখ্যক যুৱক-যুৱতীয়ে কালি উৎসাহেৰে নিজৰ নিজৰ ভোটদান সাব্যস্ত কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰতি জনসাধাৰণৰ বিপুল সঁহাৰি পৰিলক্ষিত হৈছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰথম পৰ্যায়ত ভোটদান কৰা প্ৰতিগৰাকী লোকক ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০০

তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। মনোনয়ন দাখিলৰ অন্তিম দিনা কালি গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধীয়ে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পূৰ্বে খানাপাৰাত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। বিজেপি প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত আয়োজিত জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অগপ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা লোকসভা সমষ্টিৰ চি পি আই এম প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে কালি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে বৰপেটা পৌৰ সভাৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত উদ্ধৱ বৰ্মন, হেমেন দাসসহ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৰপেটা লোকসভা সমষ্টিৰ বাবে মুঠ ১৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

ইপিনে, অসম তৃণমূল কংগ্ৰেছে কালি বৰপেটাৰ বাবে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। দলটোৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰাই জিলা কাৰ্যালয়ত ইস্তাহাৰ মুকলি কৰি সমষ্টিটোৰ বিকাশৰ বাবে ৯ টা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে বুলি সদৰি কৰে। কোকৰাঝাৰ সমষ্টিৰ বিপিএফ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীয়েও মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ৭ মে'ত অনুষ্ঠিত হ'ব। দেশৰ ১০খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে সেইদিনা ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০

তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত চিৰাং জিলাৰ চিদলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিত ভোটাৰ সজাগতাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। বিজনী বিধানসভা সমষ্টিৰ ভোটাৰৰ সজাগতাৰ লক্ষ্যৰে মুকলি কৰিছে শুভংকৰ মুকলি কৰিছে। আনহাতে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত কালি বিজনীত নতুন ভোটাৰসকলৰ অংশগ্ৰহণেৰে এক ফেশ্বন শ্বো অনুষ্ঠিত কৰে। বিজনী জিলা নিৰ্বাচনী বিভাগৰ এছ ভি ই ই পি কোষৰ উদ্যোগত বিজনী ছোৱালী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা এই ফেশ্বন শ্বো প্ৰতিযোগিতাৰ জৰিয়তে নতুন ভোটাৰসকলক সজাগ কৰা হয়। বিজনীৰ মহকুমাধিপতি তথা বিজনী জিলা নিৰ্বাচনী বিষয়া কৃতি চেছৰাই এই অনুষ্ঠানটো পৰিচালনা কৰে। ইপিনে অহা ৭ মে'ৰ দিনা নিৰ্বাচনী বিষয়াগৰাকীয়ে বিজনী সমষ্টিৰ সকলো নাগৰিকক ভোটদান কৰিবলৈ আহ্বান জনাইছে।০০০০০০

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কৰিমগঞ্জ জিলাত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে বিজেপিৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মল্লাহৰ হৈ পাথাৰকান্দি সমষ্টি ইছাবিল ময়দানত দুপৰীয়া ১২ বজাত আৰু বদৰপুৰ সমষ্টিৰ মালোৱাত দুপৰীয়া ১ বজাত নিৰ্বাচনী সভাত অংশ ল'ব। ইপিনে, বিয়লি ৫ বজাৰ পৰা মুখ্যমন্ত্ৰী ডঃ শৰ্মাই হাইলাকান্দিতো এটা ৰোড শ্বোত অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

ইপিনে, কংগ্ৰেছকে ধৰি আন আন দলেও বিবিন্ন ঠাইত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

০০০০০০

- লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ গ্ৰামাঞ্চলৰ মহিলাসকলৰ হাতত তুলি দিলে এক বিশেষ ক্ষমতা। প্ৰধানমন্ত্ৰী আবাস যোজনাত দুৰ্নীতি-অনিয়ম নিৰ্মূল কৰাৰ বাবে এতিয়াৰে পৰা ৰাজ্য চৰকাৰে জিঅ' টেগিঙৰ কাম পঞ্চায়ত তথা গাঁৱৰ মহিলা আত্ম সহায়ক গোটৰ জৰিয়তে কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি নগাঁও সংসদীয় সমষ্টিৰ তিনি স্থানৰ লগতে দৰং, ওদালগুৰি সংসদীয় সমষ্টিৰ টংলাত কালি অনুষ্ঠিত হোৱা চাৰিখন নিৰ্বাচনী সভাতএই কথা ঘোষণা কৰে। ০০০

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদান কালি সম্পন্ন হোৱাৰ পাছত কাইলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শিলচৰত উপস্থিত হৈ বিজেপিৰ এটা বৃহৎ ৰোড শ্বোত অংশ ল'ব। শিলচৰ জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰৰ পৰা আৰম্ভ হ'বলগীয়া এই ৰোড শ্বোত অংশ লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাৰ দুই দলীয় প্ৰাৰ্থীৰ হৈ

প্ৰচাৰ চলাব। ইপিনে এই ৰোড শ্বো সফল কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাছাৰ জিলা বিজেপিৰ নেত্ৰীবৰ্গৰ সৈতে আলোচনাত মিলিত হৈছে।

০০০০০০০

আজি সতী সাধনী দিৱস। অসমৰ অন্যতম জনগোষ্ঠী চুতীয়াসকলে তেওঁলোকৰ শেষৰগৰাকী ৰাণী তথা জাতিটোৰ শৌৰ্য-বীৰ্য আৰু সাহসৰ প্ৰতীক বীৰাংগনা সতী সাধনীৰ ৫০০ সংখ্যক স্মৃতি দিৱস পালন কৰিছে। তিনিচুকীয়া, যোৰহাট, গোলাঘাট আদি অঞ্চলত বীৰাংগনা সতী সাধনী দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ পাছত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে দেশৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোডশ্ব'ত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত এখন নিৰ্বাচনী সভাত সম্বোধন কৰে। শ্ৰী মোদীয়ে কয় যে এইবাৰৰ নিৰ্বাচন দেশৰ ভৱিষ্যত সুনিশ্চিত কৰা আৰু অনাগত ৫ বছৰত দেশক মহাশক্তি ৰূপে গঢ়ি তোলাৰ নিৰ্বাচন হিচাপে পৰিগণিত হৈছে।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কৈছে যে, বিজেপিয়ে মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে প্ৰকৃত বিষয়ৰ পৰা আঁতৰি ফুৰিছে। তেওঁ লগতে দলটোৰ গোপন অভিপ্ৰায় আছে বুলি মন্তব্য কৰিছে। বিহাৰৰ কাটিহাৰত কালি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি নেতাগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰী খাৰ্গেই কয় যে, তেওঁৰ দলে সংবিধানক ৰক্ষা কৰাৰ বাবে বিভাজনকাৰী শক্তিসমূহৰ বিৰুদ্ধে আহ্বান জনাইছে। তেওঁ কয় যে, বিজেপিয়ে ধনবল আৰু বিধি বলবৎকাৰী সংস্থাসমূহৰ অপপ্ৰয়োগৰে বিভিন্ন ৰাজ্যৰ নিৰ্বাচিত চৰকাৰক ক্ষমতাচ্যুত কৰিছে।

ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীৰ দৰে কংগ্ৰেছ নেতাসকলে দেশৰ একতাৰ বাবে নিজৰ প্ৰাণ আহুতি দিছে যদিও বিজেপিৰ তেনে কোনো ইতিহাস নাই বুলি শ্ৰী খাৰ্গেই প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কিষাণগঞ্জত আন এখন সভাত অংশগ্ৰহণ কৰে।

০০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৪ৰ ফলাফল আজি ১০ বাজি ৩০ মিনিটত ঘোষণা কৰা হ'ব বুলি অসম মাধ্যমিক শিক্ষা পৰিষদে এই কথা প্ৰকাশ কৰে। কেইবাটাও ৱেবছাইটত এই ফলাফল প্ৰকাশ পাব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত লোকনিৰ্ণয় ২০২৪ শীৰ্ষক অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব সাংবাদিক গৌতম শৰ্মা আৰু জিতেন্দ্ৰ কুমাৰ চৌধুৰী। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। ০০০০

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

আনহাতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৭৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত দুটা উইকেট হেৰুৱাই ১৮০ ৰাণ কৰে। লক্ষ্ণৌৰ হৈ কে এল ৰাহুলে ৫৩টা বলত ৮২ ৰাণ কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ কৰে। চেন্নাইৰ হৈ ৰবিন্দ্ৰ জাদেজাই সৰ্বাধিক ৫৭ ৰাণ কৰে। লক্ষ্ণৌৰ ক্ৰুনাল পাণ্ডিয়াই দুটা উইকেট দখল কৰে। কে এল ৰাহুলক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

অষ্টাদশ লোকসভা নিৰ্বাচনৰ ৰাজ্যৰ ৫ সমষ্টিৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ হাৰ সম্পৰ্কীয় বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে আমাৰ অসম কাকতে ৭৫ শতাংশ ভোটেৰে শাসক বিৰোধী প্ৰাৰ্থীক বিভ্ৰান্ত কৰি ৰাখিলে ভোটাৰে শীৰ্ষক শিৰোনামেৰে প্ৰকাশ কৰিছে।

নগাঁওৰ এখন প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীৰ মন্তব্য - মোদীৰ দৰে সমস্যাৰ ভিতৰলৈ গৈ সমাধান কৰা প্ৰধানমন্ত্ৰী নাছিল আগলৈও নহ'ব -এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

কালি ভোটগ্ৰহণ অনুষ্ঠিত হোৱা ৫টা লোকসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ বিধায়কসকলক জৰুৰীভাৱে তলব কৰিছে মুখ্যমন্ত্ৰীয়ে। আজি গুৱাহাটীত হ'ব পৰ্যালোচনা বৈঠক - এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰথম পৰ্যায়ৰ ভোটদানৰ পাছতে নিৰ্বাচনৰ ফলাফলক লৈ প্ৰাৰ্থীসকল আত্মবিশ্বাসী। এই বাতৰিটো দৈনিক অসম কাকতে ভোট দি কি পালে প্ৰাৰ্থীয়ে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Our identity is hindu and we should say it with pride: Mohan Bhagwat– এই বাতৰিক দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

Worlds biggest electoral exercise begings in India, over 60 percent turnout in phase one এই বাতৰিটো দি আসাম ট্ৰিবিউনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে -জনজাতিৰ প্ৰমাণ পত্ৰ বাতিলৰ পাছতো কোকৰাঝাৰত নৰ শৰণীয়া মনোনয়ন দাখিল, টিংখাঙৰ ৫৪ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত নিশা ই ভি এমৰ বিসংগতি, মনোনয়ন পত্ৰ দাখিল বিজুলি কলিতা মেধীৰ, আহমেদাবাদত অমিত শ্বাহৰ মনোননয়ন দাখিল, ডিব্ৰুগড়, যোৰহাটত হিল-দল ভাঙি ভোট দিলে যুৱ প্ৰজন্মই।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত